অসম

অৱশেষত বেদখলমুক্ত হোৱাৰ পথত ঐতিহাসিক যমুনা; উচ্ছেদ অভিযান আৰম্ভ শিৱসাগৰ প্ৰশাসনৰ

শিৱসাগৰৰ ঐতিহাসিক যমুনা খাৰৈ বেদখলমুক্ত কৰাৰ লক্ষ্যৰে জিলা প্ৰশাসনে উচ্ছেদ অভিযান আৰম্ভ কৰিছে। মুঠ ১২০ বিঘা ১ কঠা ৯ লোচা ভূমিৰ প্ৰায় ৪০ বিঘা বেদখল হৈ থকাৰ তথ্য প্ৰকাশ পাইছে। আটাছুৰ ধাৰাবাহিক প্ৰতিবাদৰ পিছতে আৰম্ভ হোৱা অভিযানত ঘৰ, শৌচাগাৰ আৰু ব্যৱসায়িক প্ৰতিষ্ঠান উচ্ছেদৰ পদক্ষেপ লোৱা হৈছে। ইতিমধ্যে কেইবাটাও পৰিয়ালে নিজাববীয়াকৈ নিৰ্মাণ ভাঙিবলৈ আৰম্ভ কৰিছে।

প্ৰকাশ: ৭ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:২৯ আপডেট: ৭ নৱেম্বৰ ২০২৬, আবেলি ৪:৫২



(NewzNow)

শিৱসাগৰ: অৱশেষত বেদখলমুক্ত কৰাৰ লক্ষ্যৰে ঐতিহাসিক যমুনা খাৰৈত উচ্ছেদ অভিযান আৰম্ভ কৰিছে শিৱসাগৰ জিলা প্ৰশাসনে। আটাছুৰ ধাৰাবাহিক প্ৰতিবাদ আৰু দীৰ্ঘদিনীয়া দাবীৰ পিছতে আজিৰে পৰা প্ৰশাসনে এই অভিযান আৰম্ভ কৰে।

উল্লেখ্য যে, ঐতিহাসিক যমুনা খাৰৈৰ মুঠ ভূমিৰ পৰিমাণ আছিল ১২০ বিঘা ১ কঠা ৯ লোচা। ইয়াৰে প্ৰায় ৪০ বিঘা ভূমি বেদখল হৈ থকাৰ তথ্য পোহৰলৈ আহিছে।

যমুনা খাৰৈৰ ভূমি বেদখল কৰি নিৰ্মাণ কৰা ঘৰ, শৌচাগাৰ আৰু ব্যৱসায়িক প্ৰতিষ্ঠানসমূহ উচ্ছেদৰ লক্ষ্য লৈছে

প্রশাসনে। ইতিমধ্যে কেইবাটাও পৰিয়ালে নিজাববীয়াকৈ শৌচাগাৰ আৰু বাসগৃহৰ দেৱাল ভাঙি আঁতৰাইছে।

দীৰ্ঘদিন ধৰি ঐতিহাসিক যমুনা খাৰৈৰ বেদখল উচ্ছেদৰ দাবী জনাই আহিছিল টাই আহোম ছাত্ৰ সন্থাই। সংগঠনটোৰ ধাৰাবাহিক প্ৰতিবাদৰ পিছতে অৱশেষত প্ৰশাসনে উচ্ছেদ অভিযান আৰম্ভ কৰিছে।

ঐতিহাসিক তথ্য অনুসৰি, স্বৰ্গদেউ শিৱসিংহৰ ৰাজত্বকালত শিৱসাগৰৰ ঐতিহাসিক শিৱদৌল, দেৱীদৌল, বিষ্ণুদৌল আৰু বৰপুখুৰীৰ কাষে কাষে খন্দোৱা হৈছিল এই যমুনা খাৰৈ।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/1043/sivasagar-evict-jamuna-wetland-encroachments